অধ্যায় ৯ ঃ বিতৰণৰ তত্ত্ব

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ ব্যক্তিগত বিতৰণ

৯.৪ কার্য্যভিত্তিক বিতৰণ

৯.৫ উপাদানৰ উৎপাদনশীলতা আৰু উপাদান ব্যয়

- ৯.৫.১ প্ৰান্তিক উৎপাদনশীলতা
- ৯.৫.২ আয়মূলক প্ৰান্তিক উৎপাদনশীলতা
- ৯.৫.৩ প্ৰান্তিক মূল্যত উৎপাদনশীলতা
- ৯.৫.৪ গড় উপাদান ব্যয়
- ৯.৫.৫ প্ৰান্তিক উপাদান ব্যয়

৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৭ অধিক জানিবৰ বাবে

৯.৮ অগ্ৰগতিৰ খতিয়ান

৯.৯ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত আপুনি —

- ব্যক্তিগত আৰু কার্য্যভিত্তিক বিতৰণৰ অর্থ জানিব পাৰিব
- ব্যক্তিগত আৰু কার্য্যভিত্তিক বিতৰণৰ পার্থক্য জানিব পাৰিব
- প্ৰান্তিক উৎপাদনশীলতা সম্পর্কে জানিব পাৰিব
- আয়মূলক প্ৰান্তিক উৎপাদনশীলতা আৰু প্ৰান্তিক মূল্যত উৎপাদনশীলতা সম্পর্কে জানিব পাৰিব।
- উপাদানৰ গড় ব্যয় আৰু প্ৰান্তিক ব্যয় সম্পর্কে জানিব পাৰিব।

৯.২ পৰিচয়

পৰম্পৰাগতভাৱে, অর্থনীতিৰ তত্ত্ব চাৰিটা খণ্ডত ভাগ কৰা হৈছে - উৎপাদন, উপভোগ, বিনিময় আৰু বিতৰণ। অর্থনীতিবিদসকলে এই চাৰিটা ভাগ বেলেগকৈ অধ্যয়ন কৰিছে। এই চাৰিটাৰ ভিতৰত 'বিতৰণ' বা উৎপাদনৰ উপাদানৰ দৰ নির্ধাৰণ হ'ল সামগ্ৰীৰ দৰ নির্ধাৰণতকৈ কিছু পৃথক ধাৰণা। সেয়েহে অর্থনীতিৰ যিটো তত্ত্ব সামগ্ৰীৰ দৰ নির্ধাৰণৰ লগত জড়িত, তাক

দৰ তত্ত্ব বুলি কোৱা হয় আৰু যিটো তত্ত্ব উপাদানৰ দৰ নির্ধাৰণৰ লগত জড়িত তাক বিতৰণ বুলি কোৱা হয়। চমুকৈ, উপাদানৰ দৰ নির্ধাৰণক 'বিতৰণৰ তত্ত্ব' বুলি কোৱা হয়। বিতৰণ ব্যক্তিগত বা কার্যভিত্তিক হ'ব পাৰে।

বিতৰণৰ ধাৰণাটো ব্যক্তিগত বিতৰণৰ ধাৰণাতকৈ পৃথক। এই অধ্যায়টিত আমি ব্যক্তিগত আৰু কার্যভিত্তিক বিতৰণ, উপাদানৰ উৎপাদনশীলতা আৰু উপাদান ব্যয়ৰ বিষয়ে বর্ণনা কৰিবলৈ চেষ্টা কৰিম।

৯.৩ ব্যক্তিগত বিতৰণ

ব্যক্তিগত বিতৰণে বিভিন্ন ব্যক্তিৰ মাজত আয় আৰু সম্পত্তিৰ বিতৰণক বুজায়। আমি জানোঁ যে এখন দেশৰ বিভিন্ন ব্যক্তিৰ মাজত জাতীয় আয় সমানভাৱে বিতৰণ নহয়। কিছুমান ব্যক্তি ধনী, আনহাতে কিছুমান ব্যক্তি দুখীয়া। গতিকে, দেশৰ বিভিন্ন ব্যক্তিৰ মাজত আয়ৰ যথেষ্ট প্রভেদ দেখা যায়। ব্যক্তিগত বিতৰণ তত্ত্বই কিদৰে বিভিন্ন ব্যক্তিৰ ব্যক্তিগত আয় নির্দ্ধাৰণ কৰা হয় আৰু কিদৰে ব্যক্তিগত আয়ৰ ক্ষেত্রত অসমতাই দেখা দিয়ে তাৰ অধ্যয়ন কৰে। ব্যক্তিগত বিতৰণৰ অধীনত, আমি জাতীয় আয় বিতৰণৰ ধাৰা আৰু বিভিন্ন ব্যক্তিয়ে ৰাষ্ট্রীয় আয়ৰ কি অংশ লাভ কৰে, তাৰ বিষয়ে অধ্যয়ন কৰিম।

প্রফেচাৰ জেন পেনৰ মতে, "ব্যক্তিগত বিতৰণ (বা আয়ৰ বিতৰণৰ আকাৰ) ব্যক্তি আৰু তেওঁলোকৰ আয়ৰ লগত জড়িত। কিন্তু যি উপায়েৰে আয় উপার্জন কৰা হয়, সেইটো সাধাৰণতে লুপ্ত হৈ থাকে। কি প্রক্রিয়াৰে কোনো এজনে মজুৰি, লাভ, সুত বা লাভৰ অনুপাতত উপার্জন কৰে, সেইটো নির্ণয় কৰাটো দৰকাৰ আৰু আয় লাভ কৰা সকলে যৌথ প্রচেষ্টাত গুৰুত্ব দিয়াটো দৰকাৰ।"

৯.৪ কার্যভিত্তিক বিতৰণ

আয়ৰ কার্যভিত্তিক বিতৰণে ৰাষ্ট্রীয় আয়ৰ বিতৰণক বুজায়, যিটো মানুহে উৎপাদন কার্যত বিভিন্ন সেৱা আগবঢ়োৱাৰ বাবে লাভ কৰে। আনহাতে খাজনা, মজুৰি, সুত আৰু লাভ হল ভূমি, শ্রম, মূলধন আৰু সংগঠনৰ আয়। গাণিতিক ভাবে, ইয়াক তলত দিয়া ধৰণে প্রকাশ কৰিব পাৰি।

$$P = (A, B, C, D)$$

য'ত মুঠ উৎপাদন (P) হল ভূমি (A), শ্রম (B), মূলধন (C) আৰু সংগঠনৰ ফলন। সেয়েহে, কার্যভিত্তিক বিতৰণে উৎপাদনত ব্যৱহাৰ হোৱা বিভিন্ন আয় আৰু অংশ সমূহ নির্ণয় কৰে।

প্রচেফাৰ জন পেনৰ মতে, "কার্যভিত্তিক বিতৰণ ব্যক্তি বা ব্যক্তিগত আয়ৰ লগত জড়িত নহয়, কিন্তু উৎপাদনৰ উপাদানৰ আয় সমূহৰ লগত জড়িত। উৎপাদনৰ উপাদানৰ দৰ নির্দ্ধাৰণ সামগ্রীৰ দৰ নির্দ্ধাৰণৰ এটা পৰিবর্তিত ৰূপ। সেয়েহে ইয়াত কেতিয়াবা উৎপাদনৰ উপাদানৰ দৰ নির্দ্ধাৰণ তত্ত্ব বুলি কোৱা হয়।"

ব্যক্তিগত আৰু কার্যভিত্তিক বিতৰণ ঃ ব্যক্তিগত বিতৰণ বুলিলে ব্যক্তিৰ আয় আৰু সম্পদৰ বিতৰণক বুজোৱা হয়। আমি সকলোৱে জানোঁ যে, ৰাষ্ট্রীয় আয় এখন ৰাষ্ট্রৰ সকলো ব্যক্তিৰ মাজত সমানে ভাগ নহয়। কিছুমান ধনী, আন কিছুমান দুখীয়া। দৰাচলতে, ব্যক্তিৰ আয়ৰ মাজত অসমতা দেখা যায়। ব্যক্তিগত বিতৰণৰ তত্ত্বই কিদৰে ব্যক্তিৰ আয়সমূহ বিতৰণ কৰা হয়, আৰু কিদৰে আয়ৰ অসমতা উদ্ভৱ হয় সেয়া নির্ণয় কৰে। আনহাতে, কার্য্যভিত্তিক বিতৰণ তত্ত্বত আমি কিদৰে উৎপাদনত ব্যৱহাৰ হোৱা উপাদানসমূহ ব্যৱহাৰ কৰা হয়, সেই বিষয়ে অধ্যয়ন কৰা হয়। উৎপাদনৰ উপাদানসমূহ চাৰিটা ভাগত ভাগ কৰা হয় — ভূমি, শ্রম, মূলধন আৰু সংগঠন। সেয়েহে কার্য্যভিত্তিক বিতৰণত এই উপাদানসমূহৰ দৰ নির্ধাৰণ কৰা হয়। এনেদৰে, কার্য্যভিত্তিক বিতৰণৰ তত্ত্বই মজুৰি, সুত, খাজনা, সুত নির্ধাৰণ কৰে।

এতিয়া এটা প্রশ্ন উত্থাপন হয় যে কেৱল কার্য্যভিত্তিক বিতৰণে ব্যক্তিগত বিতৰণ নির্ধাৰণ কৰেনে? দৰাচলতে, ব্যক্তিগত বিতৰণ আশিংকভাৱেহে কার্য্যভিত্তিক বিতৰণৰ ওপৰত নির্ভৰশীল। এজন ব্যক্তিয়ে কিমান পৰিমাণৰ আয় উপার্জন কৰিব, সেইটো নির্ভৰ কৰে। উপাদানটোৱে কিমান উপার্জন কৰিব।

সেয়েহে খাজানাধাৰীৰ আয় কেৱল খাজনাৰ ওপৰতেই নির্ভৰ নকৰে; ই ভূমিৰ পৰিমাণৰ লগতো জড়িত। ভূমিৰ খাজনা দিয়া থাকিলে, বেছি পৰিমাণৰ ভূমিৰ বাবে খাজনাত বেছি হব। ইয়াৰ উপৰিও, ভূমিৰ গৰাকীয়ে হয়তো কাৰোবাক ধাৰ দি সুদ হিচাৱে আয় অর্জন কৰিব পাৰে।

এই পার্থক্যবোৰ থকাৰ লগতে ব্যক্তিগত আৰু কার্য্যভিত্তিক বিতৰণৰ দুয়োটাৰ এক সম্পর্ক দেখা যায়। ব্যক্তিগত বিতৰণ কার্য্যভিক্তিক বিতৰণৰ দ্বাৰা প্রভাৱিত হয়। যদিহে উৎপাদনৰ উপাদানৰ আয় সমতাপূর্ণ হয়, তেন্তে ব্যক্তিগত বিতৰণো সমতাপূর্ণ হয়। ইয়াৰ ফলত ব্যক্তিগত চাহিদা বৃদ্ধি হয়। এই চাহিদা বৃদ্ধিয়ে বিনিয়োগ বৃদ্ধি কৰে, নিয়োগ বৃদ্ধি কৰে আৰু ইয়ে উৎপাদন আৰু আয় বৃদ্ধি কৰে। বর্ধিত আয় আৰু জীৱন ধাৰণৰ উন্নত মানদণ্ডই উৎপাদনৰ দক্ষতা বৃদ্ধি কৰে। আনহাতে, যদি কার্য্যভিত্তিক বিতৰণ অসমতাপূর্ণ হয়, তেন্তে ব্যক্তিগত বিতৰণো অসমতাপূর্ণ হব। ইয়াৰ ফলত বহুত লোক দৰিদ্র হব। অর্থনৈতিক কল্যাণ হ্রাস পাব, শান্তি আৰু সমৃদ্ধি হ্রাস পাব আৰু ধনী-দুখীয়াৰ বৈষম্যতা বৃদ্ধি পাব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) উৎপাদনৰ উপাদানৰ দৰক বিতৰণৰ তত্ত্ব বুলি জনা যায়।
(শুদ্ধ/অশুদ্ধ)

(খ) এখন ৰাষ্ট্রৰ কার্য্যভিত্তিক বিতৰণে ব্যক্তিগত বিতৰণক প্রভাৱিত কৰে।
(শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ২ ঃ কার্য্যভিত্তিক বিতৰণৰ সংজ্ঞা দিয়ক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন ৩ ঃ ব্যক্তিগত বিতৰণৰ সংজ্ঞা দিয়া। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

৯.৫ উৎপাদনৰ উপাদানৰ উৎপাদনশীলতা আৰু উপাদান ব্যয়ৰ ধাৰণা

আমি উৎপাদনৰ উপাদানৰ বিভিন্ন বজাৰত দৰ নির্ধাৰণ কৰা হয়, বর্ণনা কৰা আগতে উপাদানৰ উৎপাদনশীলতা আৰু উপাদান ব্যয়ৰ ধাৰণা জনাটো দৰকাৰ। তলত আমি উপাদানৰ উৎপাদনশীলতা আৰু উপাদান ব্যয়ৰ দৰকাৰী ধাৰণাসমূহ আলোচনা কৰিম।

৯.৫.১ প্ৰান্তিক উৎপাদশীলতা *(MPP)*

কোনো এটা উপাদানৰ প্ৰান্তিক উৎপাদনশীলতা হ'ল উপাদানৰ এটা অতিৰিক্ত গোটৰ উৎপাদন। অর্থাৎ, প্ৰান্তিক উৎপাদনশীলতা হ'ল উপাদানৰ এটা অতিৰিক্ত গোট নিয়োগ হোৱাৰ ফলত মুঠ উৎপাদনত হোৱা সংযোজন।

অর্থাৎ $MPP = TPP_n - TPP_{n-1}$

য'ত MPP হ'ল প্ৰান্তিক উৎপাদনশীলতা

TPP হ'ল 'n' তম গোটৰ মুঠ উৎপাদনশীলতা

TPP_{n-1} হ'ল 'n – 1' তম গোটৰ মুঠ উৎপাদনশীলতা।

উদাহৰণ ঃ

ধৰা হ'ল, কপাহ উদ্যোগ এটাত ২৫ জন শ্ৰমিকে ৯০০ মিটাৰ কাপোৰ উৎপাদন কৰে। এজন শ্ৰমিক অতিৰিক্তকৈ বৃদ্ধি কৰা ফলত উৎপাদন ৯২৬ মিটাৰ হ'ল। এনে ক্ষেত্ৰত, অতিৰিক্ত ২৬ মিটাৰ হব প্ৰান্তিক উৎপাদন।

অর্থাৎ, $MPP = TPP_n - TPP_{n-1}$

= (৯২৬ — ৯০০) মিটাৰ

= ২৬ মিটাৰ।

৯.৫.২ আয়মূলক প্ৰান্তিক উৎপাদনশীলতা (MRP)

আয়মূলক প্ৰান্তিক উৎপাদনশীলতা (Marginal Revenue Product) হ'ল এটা অতিৰিক্ত উপাদান নিয়োগ কৰাৰ ফলত হোৱা মুঠ উৎপাদনৰ মূল্যত হোৱা সংযোজন। ই হ'ল প্ৰান্তিক উৎপাদনশীলতা আৰু প্ৰান্তিক আয়ৰ পূৰণফল।

অৰ্থাৎ $MRP = MPP \times MR$

য'ত MRP = আয়মূলক প্ৰান্তিক উৎপাদনশীলতা

MPR = প্ৰান্তিক উৎপাদনশীলতা

MR = প্ৰান্তিক আয়।

বা ইয়াক তলত দিয়া ধৰণে প্ৰকাশ কৰিব পাৰি

$MRP = TRP_n - TRP_{(n-1)}$

য'ত TRP_n আৰু TRP_{n-1} হ'ল n আৰু (n – 1) গোটৰ আয়মূলক প্ৰান্তিক উৎপাদনশীলতা।

উদাহৰণ ১ ঃ ধৰা হ'ল কপাহ উদ্যোগ এটাত ১০ জন শ্ৰমিকে ১০০০ মিটাৰ কাপোৰ উৎপাদন কৰে। এজন অতিৰিক্ত শ্ৰমিক নিয়োগ কৰাৰ ফলত উৎপাদন হয় ১১০০ মিটাৰ। যদি ১১০০ নং কপাহৰ গোটোৰ প্ৰান্তিক আয় ১০০ হয়, তেন্তে প্ৰান্তিক আয়মূলক উৎপাদন হব —

প্ৰান্তিক আয় উৎপাদন (MRP) = (১১০০ — ১০০০) × ১০০

= ১০০ × ১০০

= ১০,০০০

উদাহৰণ ২ ঃ যদি ১০ জন শ্ৰমিকৰ মুঠ আয়মূলক উৎপাদনশীলতা ৩০,০০০ টকা হয়, আৰু ১১ জন শ্ৰমিকৰ মুঠ উৎপাদনশীলতা ৩৫,০০০ টকা হয়, তেন্তে ১১ নং শ্ৰমিকৰ প্ৰান্তিক আয়মূলক উৎপাদন হব —

(MRP) = (৩৫,০০০ — ৩০,০০০) টকা

= ৫০০০ টকা।

৯.৫.৩ প্ৰান্তিক মূল্যত উৎপাদশীল (VMP)

প্ৰান্তিক মূল্যত উৎপাদনশীলতা হ'ল এটা অতিৰিক্ত উপাদানৰ ফলত হোৱা অতিৰিক্ত উৎপাদনৰ মুদ্ৰাগত মুল্য। সেয়েহে ইয়াক প্ৰান্তিক উৎপাদনৰ মুদ্ৰাগত মূল্য বুলি কোৱা হয়।

অৰ্থাৎ

$VMP = MPP \times P$

য'ত VMP হ'ল প্ৰান্তিক মূল্যত উৎপাদন

MPP হ'ল প্ৰান্তিক উৎপাদন

আৰু P হ'ল দৰ।

উদাহৰণ ঃ

ধৰা হ'ল, এটা কপাহ উদ্যোগ ৩০ জন শ্ৰমিকে ৯০০ মিটাৰ কাপোৰ উৎপাদন কৰে আৰু ৩১ জন শ্ৰমিকে ৯২৫ মিটাৰ কাপোৰ উৎপাদন কৰে। প্ৰান্তিক উৎপাদন হব (৯২৫ - ৯০০) = ২৫ যদি বজাৰ দৰ ৬০ টকা হয়, তেন্তে প্ৰান্তিক মূল্যত উৎপাদনশীলতা (VMP) হব —

VMP = ২৫ × ৬০ = ১৫০০


VMP আৰু MRP ৰ মাজৰ সম্পৰ্ক ঃ

পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত VMP আৰু MRP একে হয়, কাৰণ এই বজাৰত সামগ্ৰী একে দামতেই বিক্ৰী কৰা হয়। অৰ্থাৎ MR= P.

গতিকে MRP = MPP × MR = MPP × P = VMP

কিন্তু অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত MRP আৰু VMP পৃথক পৃথক হয়। কাৰণ, এই বজাৰত, উৎপাদকে উৎপাদনৰ কোনো এটা অতিৰিক্ত গোট বিক্ৰী কৰিবলৈ আগতকৈ কম দামতেই বিক্ৰী কৰিবলগীয়া হয়। এই দুখন বজাৰত VMP আৰু MRP ৰেখাৰ তলৰ চিত্ৰত দেখুওৱা হ'ল —

চিত্ৰ ঃ ৯.১ বিভিন্ন ধৰণৰ বজাৰত VMP আৰু MRP ৰেখা



(ক) পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনত MRP আৰু VMP ৰেখা

(খ) অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ অধীনত MRP আৰু VMP ৰেখা

৯.৫.৪ গড় উপাদান ব্যয় (AFC)

গড় উপাদান ব্যয় হ'ল এটা পৰিবৰ্তনশীল উপাদান নিয়োগ কৰাৰ ফলত হোৱা ব্যয়। মুঠ ব্যয়ক মুঠ উপাদানৰ পৰিমাণেৰে হৰণ কৰি ইয়াক লাভ কৰা হয়।

অর্থাৎ,

$$AFC = \frac{TFC}{\text{পৰিমাণ}}$$ য'ত AFC হ'ল গড় উপাদন ব্যয়, TFC হ'ল মুঠ উপাদান ব্যয়।

উদাহৰণ ঃ

ধৰা হ'ল, 4 নং এককৰ মুঠ উপাদান ব্যয় 20, এনে ক্ষেত্রত গড় উপাদান ব্যয় হব —

$$AFC = \frac{20}{4} = 5$$

৯.৫.৫ প্রান্তিক উপাদান ব্যয় (MFC)

প্রান্তিক উপাদান ব্যয় এটা অতিৰিক্ত উপাদান নিয়োগৰ ফলত হোৱা ব্যয়। ইয়াক প্রান্তিক ব্যয় (উপাদান) বুলিও কোৱা হয়। ইয়াক তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি—

$$MFC = TFC_n + FC_{(n-1)}$$

য'ত MFC হ'ল প্রান্তিক উপাদান ব্যয়, TFC_n হ'ল n এককৰ মুঠ উপাদান ব্যয় আৰু TFC_{n-1} হ'ল (n –1) এককৰ মুঠ উপাদান ব্যয়।

উদাহৰণ ঃ

ধৰা হ'ল, ১০ টা উপাদানৰ মুঠ উপাদান ব্যয় ১২০ আৰু ১১ টা উপাদানৰ মুঠ উপাদান ব্যয় ১৫০, তেন্তে প্রান্তিক উপাদান ব্যয় —


MFC = ১৫০ — ১২০ = ৩০

গড় উপাদান ব্যয় আৰু প্রান্তিক উপাদান ব্যয়ৰ সম্পর্ক ঃ

গড় উপাদান আৰু প্রান্তিক উপাদান ব্যয়ৰ সম্পর্ক পূর্ণ আৰু অপূর্ণ প্রতিযোগিতামূলক বজাৰত পৃথক পৃথক হয়। পূর্ণ প্রতিযোগিতামূলক বজাৰত, উপাদান এটাৰ দৰ চাহিদা আৰু যোগানে নির্ধাৰণ কৰে। ইয়াত উপাদানৰ দৰ স্থিৰ বাবে উপাদানৰ যোগান সম্পূর্ণ স্থিতিস্থাপক আৰু যোগান ৰেখা *x*- অক্ষৰ সমান্তৰাল হয়। যিহেতু দৰ দিয়া থাকে, গতিকে গড় উপাদান ব্যয় প্রান্তিক উপাদান ব্যয়ৰ সমান হয়।

কিন্তু অপূর্ণ প্রতিযোগিতামূলক বজাৰত, গড় উপাদান ব্যয় ৰেখা উর্দ্ধমূখী আকৃতিৰ হয় আৰু প্রান্তিক উপাদান ব্যয় ৰেখাডাল ইয়াৰ ওপৰত থাকে। ই ইয়াকে বুজায় যে প্রতিস্থানে এনে ক্ষেত্রত যেতিয়া বেছি নিয়োগ কৰিব বিচাৰে, তেতিয়া প্রতিটো উপাদানতে বেছি ব্যয় হয়। সেয়েহে প্রান্তিক উপাদান ব্যয় গড় উপাদান ব্যয়তকৈ বেছি হ'ব। ইয়াক তলৰ চিত্র ৯.২ ত দেখুওৱা হ'ল —

চিত্র ঃ ৯.২ ঃ বিভিন্ন বজাৰ গাঁথনিত AFC আৰু MFC ৰেখা



(ক) পূর্ণ প্রতিযোগিতামূলক বজাৰৰ অধীনত AFC আৰু MFC ৰেখা

(খ) অপূর্ণ প্রতিযোগিতামূলক বজাৰৰ অধীনত AFC আৰু MFC ৰেখা



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) অপূর্ণ প্রতিযোগিতামূলক বজাৰত VMP = MRP। (শুদ্ধ/অশুদ্ধ)

(খ) পূর্ণ প্রতিযোগিতামূলক বজাত AFC আৰু MFC ৰেখা আনুভূমিক। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ৫ ঃ পূর্ণ প্রতিযোগিতামূলক বজাৰত AFC আৰু MFC ৰ সম্পর্ক বর্ণনা কৰক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন ৬ ঃ প্রান্তিক উৎপাদনশীলতাৰ সংজ্ঞা দিয়ক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ পৰা নিম্নলিখিত দিশসমূহ আলোচনা কৰা হ'ল—

- উৎপাদন উপাদানৰ দৰক বিতৰণৰ তত্ত্ব বুলি কোৱা হয়।
- বিতৰণ ব্যক্তিগত বা কার্য্যভিত্তিক হব পাৰে।
- ব্যক্তিগত বিতৰণে ব্যক্তিৰ মাজত আয় আৰু সম্পদৰ বিতৰণক বুজায়।
- কার্য্যভিত্তিক বিতৰণে ৰাষ্ট্ৰীয় আয়ত বিভিন্ন উপাদানৰ অংশৰ বিষয়ে আলোচনা কৰে।
- ব্যক্তিগত বিতৰণ আৰু কার্য্যভিত্তিক বিতৰণৰ পার্থক্য থকাৰ উপৰিও কেতবোৰ সম্পর্ক পৰিলক্ষিত হয়। ৰাষ্ট্ৰ এখনৰ ব্যক্তিগত আয় কার্য্যভিত্তিক বিতৰণৰ দ্বাৰা প্রভাৱিত হয়।
- এটা উপাদানৰ প্রান্তিক উৎপাদনশীলতা হ'ল উপাদানটোৰ এটা অতিৰিক্ত গোট নিয়োগৰ ফলস্বৰূপে হোৱা উৎপাদনৰ পৰিবর্তন।
- আয়মূলক প্রান্তিক উৎপাদনশীলতা (MRP) হ'ল কোনো এটা উপাদান অতিৰিক্তকৈ নিয়োগ কৰাৰ ফলত হোৱা মুঠ উৎপাদনৰ মূল্যৰ পৰিবর্তন।
- প্রান্তিক মূল্যত উৎপাদনশীলতা (VMP) হ'ল উপাদানৰ প্রান্তিক উৎপাদনৰ মুদ্রাগত মূল্য।
- গড় উপাদান ব্যয় হ'ল প্রতি একক উপাদানত হোৱা ব্যয়।
- প্রান্তিক উপাদান ব্যয় হ'ল অতিৰিক্ত উপাদানত হোৱা অতিৰিক্ত ব্যয়।
- পূর্ণ প্রতিযোগিতামূলক বজাৰত AFC = MFC = দৰ আৰু অপূর্ণ প্রতিযোগিতামূলক বজাৰত, AFC ৰেখাডাল উর্দ্ধমূখী হয় আৰু MFC ৰেখাডাল AFC ৰ ওপৰত থাকে।



৯.৭ অধিক জানিবৰ বাবে

ইংৰাজী গ্রন্থ ঃ

1) Ahuja, H.L. (2007); *Advanced Economic Theory: Microeconomic Analysis*; New Delhi: S. Chand & Company Ltd.
2) Chopra, P.N. (2008): *Micro Economics*; Ludhiyana: Kalyani Publication.
3) Dewett, K.K. (2005). *Modern Economic Theory*; New Delhi: S. Chand & Company Ltd.
4) Sundharam, K.P.M. & Vaish M.C. (1997); *Microeconomic Theory*; New Delhi: S. Chand & Company Ltd.



৯.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) অশুদ্ধ

২ নং প্রশ্নৰ উত্তৰঃ কার্য্যভিত্তিক বিতৰণে ৰাষ্ট্রীয় আয়ত উৎপাদন ব্যৱহাৰ হোৱা উপাদানসমূহৰ অংশ বুজায়, যিটো তেওঁলোকে সেৱা প্রদান কৰাৰ বাবদ লাভ কৰে। অর্থাৎ, ই উৎপাদনৰ উপাদানৰ আয়ক বুজায়।

৩ নং প্রশ্নৰ উত্তৰঃ ব্যক্তিগত বিতৰণে অর্থনীতিৰ বিভিন্ন ব্যক্তিৰ মাজত আয় আৰু সম্পদৰ বিতৰণক বুজায়। ব্যক্তিগত বিতৰণে কেনেদৰে বিভিন্ন ব্যক্তিৰ মাজত আয় বিতৰণ কৰা হয়, আৰু আয়ৰ অসমতাৰ উদ্ভৱ হয় তাক আলোচনা কৰে।

৪ নং প্রশ্নৰ উত্তৰঃ (ক) অশুদ্ধ (খ) শুদ্ধ

৫ নং প্রশ্নৰ উত্তৰঃ পূর্ণ প্রতিযোগিতামূলক বজাৰত AFC সদায় MFC ৰ সমান কাৰণ ইয়াত উপাদানৰ দৰ সদায় স্থিৰ। সেয়েহে, প্রতিটো অতিৰিক্ত উপাদানত একে ব্যয় হয়।

৬ নং প্রশ্নৰ উত্তৰঃ কোনো এটা উপাদানৰ প্রান্তিক উৎপাদনশীলতাই উপাদানটোৰ অতিৰিক্ত এক একক বৃদ্ধি হোৱাৰ ফলত হোৱা মুঠ উৎপাদনৰ পৰিবর্তনক বুজায়। আনহাতে ই হ'ল এক উপাদান নিয়োগ কৰাৰ ফলত হোৱা মুঠ উপাদানৰ পৰিবর্তন।



৯.৯ আৰ্হি প্রশ্ন

চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ ব্যক্তিগত আৰু কার্য্যভিত্তিক বিতৰণৰ পার্থক্য নির্ণয় কৰক।

প্রশ্ন ২ঃ চিত্রৰ সহায়ত পূর্ণ আৰু অপূর্ণ প্রতিযোগিতামূলক বজাৰত MRP আৰু VMP ৰ মাজৰ সম্পর্ক দেখুৱাওক।

প্রশ্ন ৩ঃ AFC আৰু MFC ৰ মাজৰ সম্পর্ক চিত্রৰ সহায়ত ব্যাখ্যা কৰক।

ৰচনা ধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ উৎপাদানৰ উৎপাদনশীলতা আৰু উপাদানৰ ব্যয়ৰ বিভিন্ন ধাৰণাবোৰ ব্যাখ্যা কৰক।

*** ***** ***